# ভাৰতৰ উচ্চতম ন্যায়ালয়

আবেদনকাৰীঃ

বিশান সিং আৰু অন্যান্য

বনাম

উত্তৰদাতা

পঞ্জাব চৰকাৰ আৰু আন এক

বিচাৰৰ তাৰিখঃ ৩০-০৮-১৯৯৬

বিচাৰপীঠ

ৰামস্বামী, কে।

বিচাৰপীঠ

ৰামস্বামী, কে।

জি. বি. পাট্টানাইক (ন্যায়াধীশ)

আইনঃ

শীৰ্ষটোকা

বিচাৰঃ

আদেশ

অনুমতি প্ৰদান কৰা হ'ল।

আমি দুয়ো পক্ষৰ বিদ্বান পৰামৰ্শদাতাৰ ভাষ্য শুনিলো।

আৰ. এছ. এ. ২২৬০/৮০ সংক্ৰান্তে চণ্ডীগড়স্থিত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে ৭ মে ১৯৯১ তাৰিখে দিয়া ৰায় আৰু আদেশৰ লগত সংগতি ৰাখি এই বিশেষ অনুমতিৰ আবেদন দাখিল কৰা হৈছে। ইয়াত স্বীকাৰ কৰা তথ্যবোৰ হ'ল যে

নিষেধাজ্ঞা থকা সত্বেও তিনিজন আবেদনকাৰীয়ে আন ২৭ জন লোকৰ সৈতে এক সমদল কৰি আৰক্ষী অধীক্ষকৰ বাসভৱনত তেওঁলোকৰ অপৰ্যাপ্ত বাসস্থান আৰু অন্যান্য সুবিধা প্ৰদান নকৰাৰ অভিযোগ দিবলৈ গৈছিল। সন্ধিয়া তেওঁলোকৰ কৰ্তব্য শেষ হোৱাৰ পিছত তেওঁলোকে উক্ত সমদলত অংশ লৈছিল। এনে প্ৰতিনিধিত্ব কৰাৰ বাবে আৰু নিষেধাজ্ঞা ভংগ কৰাৰ বাবে, পঞ্জাব আৰক্ষী অধিনিয়মৰ ১৬(২) নং নীতিৰ অধীনত গুৰুতৰ অসদাচৰণৰ বাবে দোষী বুলি অভিযোগ উত্থাপন কৰি শোভাযাত্ৰাৰ নেতৃত্ব দিয়া তিনিজন আবেদনকাৰীৰ বিৰুদ্ধে তদন্ত চলোৱা হৈছিল; যাৰ ফলত তেওঁলোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। এই বৰ্খাস্তকৰণ আপীলৰ দ্বাৰা সুপ্ৰতিষ্ঠিত হয়। তাৰ পিছত, আবেদনকাৰীসকলে বৰ্খাস্তকৰণৰ আদেশ অবৈধ ঘোষণা কৰি বাতিল কৰিবৰ বাবে প্ৰাৰ্থনা জনাই আপীল আবেদল দাখিল কৰিছিল। গোচৰটো ১৯৭৯ চনৰ ৭ এপ্ৰিলত সফল হৈছিল। কিন্তু আপীলৰ ভিত্তিত ১৯৮০ চনৰ ২০ ফেব্ৰুৱাৰীত এই সিদ্ধান্ত বাতিল কৰা হয়। তেতিয়া উচ্চ ন্যায়ালয়ে গোচৰটো নাকচ কৰে। এতিয়া, আবেদনকাৰীসকলে এই বিশেষ অনুমতি আবেদন দাখিল কৰিছে।

এইটো সত্য যে আবেদনকাৰীসকল আৰক্ষী বাহিনীৰ শৃঙ্খলাবদ্ধ সদস্য। তেওঁলোকক প্ৰদান কৰা অপৰ্যাপ্ত বাসস্থানৰ অভিযোগ হৈছে ইয়াৰ সমাধানৰ বাবে বিষয়াজনক সদৰি কৰা এক বৈধ অভিযোগ। সন্দেহাতীত যে, নিষেধাজ্ঞা জাৰি কৰা হৈছিল আৰু ইয়াৰ উলংঘন হৈছে; কিন্তু, আবেদনকাৰীসকলে তেওঁলোকৰ প্ৰতিনিধিত্ব শান্তিপূৰ্ণ সমদলৰ যোগেদি কৰিছিল। এনে পৰিস্থিতিত, তেওঁলোকক সেৱাৰ পৰা বৰ্খাস্ত কৰাৰ দৰে চূড়ান্ত শাস্তি লাভ কৰাকৈ তেওঁলোকে কোনো অসদাচৰণ কৰা নাই। গতিকে, উচ্চ ন্যায়ালয়ৰ আদেশ বাতিল কৰা হ'ল। অৱশ্যে প্ৰতিবাদীসকলক এইবুলি আদেশ দিয়া হ'ল যে সামগ্ৰিক প্ৰভাৱ নপৰাকৈ তেওঁলোকৰ দৰমহাৰ এটা অনুপাৰ্জিত লাভ বন্ধ কৰি শাস্তি প্ৰদান কৰা হওক।

সেই অনুসৰি আবেদনৰ অনুমতি দিয়া হ'ল। আবেদনকাৰীসকলক তেওঁলোকৰ সকলো যাৱতীয় সা-সুবিধাৰ সৈতে পুনৰ নিযুক্তি প্ৰদান কৰা হওক। কোনো ব্যয় নাই।

*অনুবাদঃ দিতিমণি গগৈ*

*স্পেচিয়েল অফিচাৰ*

*অনুবাদ শাখা*

*Disclaimer- The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.*

*"স্থানীয় ভাষা লৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে । ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰী কৰণ আৰু ৰূপায়ণৰ ক্ষে ত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"*